28T HIST

# 2018

# HISTORY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| Q. No. 1 carries 1 mark each | 1×12 = 12 |
| Q. No. 2 carries 2 marks each | 2×12 = 24 |
| Q. No. 3 carries 5 marks each | 5×8 = 40 |
| Q. No. 4 carries 6 marks each | 6×3 = 18 |
| Q. No. 5 carries 6 marks each | 6×1 = 6 |
| | Total =100 |

*Contd.*

1. Answer the following questions : 1×12=12

তলত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ দিয়া :

(a) Where was the Indus Valley Civilization discovered first ? 1

সিন্ধু উপত্যকাৰ সভ্যতা প্ৰথমে ক'ত আবিষ্কাৰ হৈছিল ?

(b) What was 'Tamilakam' ? 1

'তামিলাকম্' কি ?

(c) What is the meaning of the term 'Tipitaka' ? 1

'তিপিতাক' শব্দৰ অৰ্থ কি ?

(d) Who is the writer of the 'Fathiyah-i-Ibriah' ? 1

'ফাতিয়াহ ই-ইব্ৰিয়াহ' গ্ৰন্থৰ ৰচক কোন ?

(e) Who was Jean-Baptiste Tavernier ? 1

জ্যা-বেপটিষ্ট টেভাৰনিয়াৰ কোন ?

(f) What do you mean by 'Silsila' ? 1

'ছিলচিলা' বুলিলে কি বুজা ?

(g) What is 'Gopuram' ? 1

'গপুৰম্' কি ?

(h) Who wrote 'Ain-i-Akbari' ? 1

'আইন-ই-আকবৰী' কোনে ৰচনা কৰিছিল ?



(i) Who introduced the Permanent Settlement in Bengal ? 1

বংগদেশত চিৰস্থায়ী বন্দবস্থ কোনে প্ৰৱৰ্তন কৰিছিল ?

(j) In which year was Railway service started in India ? 1

কোন চনত ভাৰতত ৰেলসেৱা আৰম্ভ কৰা হৈছিল ?

(k) Who killed Mahatma Gandhi ? 1

মহাত্মা গান্ধীক কোনে হত্যা কৰিছিল ?

(l) Who coined the term 'Pakistan' ? 1

'পাকিস্তান' শব্দৰ ৰূপ কোনে দিছিল ?

2. Answer the following questions in brief : 2×12=24

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Write briefly about the religious beliefs of the Harappan Culture. 2

হৰপ্পীয় সংস্কৃতিৰ ধৰ্মীয় বিশ্বাস সম্পৰ্কে চমুকৈ লিখা।

(b) What do you mean by exogamy and endogamy ? 2

'বহিৰ্বিবাহ' আৰু 'অন্তৰ্বিবাহ' বুলিলে কি বুজা ?

(c) What were 'Brahmottar' and 'Dharmottar' land ? 2

'ব্ৰহ্মোত্তৰ' আৰু 'ধৰ্মোত্তৰ' মাটি কি ?

(d) What is 'Buranji'? Mention the name of a Buranji written in the Ahom period. 2

'বুৰঞ্জী' কি ? আহোম যুগত ৰচিত এখন বুৰঞ্জীৰ নাম উল্লেখ কৰা।

(e) Name the two rebels of Assam hanged by the British in 1858. 2

1858 চনত বৃটিছে ফাঁচী দিয়া অসমৰ বিদ্ৰোহী দুগৰাকীৰ নাম লিখা।

(f) Who were the 'Alvars' and 'the Nayanars'? 2

'আলাবাৰ' আৰু 'নায়ানাৰ' সকল কোন আছিল ?

(g) What was 'Milkiyat'? 2

'মিলকিয়াত' কি ?

(h) What do you understand by 'Kitabkhana'? 2

'কিতাবখানা' বুলিলে কি বুজা ?

(i) Mention two women leaders of the Revolt of 1857. 2

1857 চনৰ বিদ্ৰোহৰ দুগৰাকী নেত্ৰীৰ নাম লিখা।

(j) Why was the Lahore Sesssion of Congress, 1929 important in Indian history? 2

1929 চনৰ লাহোৰ কংগ্ৰেছ অধিৱেশন ভাৰত বুৰঞ্জীত কিয় গুৰুত্বপূৰ্ণ ?

(k) Describe how did women experience the partition of India. 2

ভাৰত বিভাজনৰ অভিজ্ঞা মহিলা সকলৰ কোনে আছিল বৰ্ণনা কৰা।



(l) Mention two measures recommended by the Constituent Assembly for the abolition of untouchability in India. 2

ভাৰতৰ অস্পৃশ্যতা নিৰ্মূলৰ বাবে সংবিধান সভাই অনুমোদন জনোৱা দুটা ব্যৱস্থা উল্লেখ কৰা।

3. Answer the following questions : *(any eight)* 5×8=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : *(যিকোনো আঠটা)*

(a) Give a description of the town planning of the Harappan Civilization. 5

হৰপ্পীয় সভ্যতাৰ নগৰকেন্দ্ৰ সমূহৰ আঁচনিৰ এটি বিৱৰণ দিয়া।

(b) What were, according to 'Manusmriti', the means of acquiring wealth for men and women? Do you think that these means differentiate men and women? 3+2=5

'মনুস্মৃতি' অনুসৰি পুৰুষ আৰু মহিলাই কি কি উপায়েৰে সম্পদ আহৰণ কৰিব পাৰিছিল ? এই উপায়বোৰে পুৰুষ আৰু মহিলাক পৃথক কৰিছে বুলি তুমি ভাবানে ?

(c) Summarise the central teachings of Buddhism. 5

বৌদ্ধ ধৰ্মৰ মূল শিক্ষাৰ সাৰাংশ লিখা।

(d) Give a description of the Ahom capital Garhgaon as described by Shihabuddin Talish. 5

চিহাবুদ্দিন তালিচৰ বিৱৰণ অনুসৰি আহোম ৰাজধানী গড়গাওঁ নগৰৰ এটি বৰ্ণনা দিয়া।

(e) Discuss the role of women in the agrarian society of medieval India. 5

মধ্যযুগীয় ভাৰতৰ কৃষিভিত্তিক সমাজত মহিলাৰ ভূমিকা আলোচনা কৰা।



Contd.

2018/5/

(f) Give a description of the defence arrangements of Vijayanagara. Why did it enclose the agricultural tracts? 4+1=5

বিজয়নগৰৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ এটি বৰ্ণনা দিয়া। এই ব্যৱস্থাই কৃষিক্ষেত্ৰকো কিয় পৰিবেষ্টিত কৰিছিল ?

(g) How was land classified under emperor Akbar? How was land revenue assessed? 3+2=5

সম্ৰাট আকবৰৰ কালছোৱাত মাটি কেনেদৰে শ্ৰেণী বিভাগ কৰা হৈছিল ? মাটিৰ ওপৰত কৰ কেনেদৰে নিৰ্ধাৰণ কৰা হৈছিল ?

(h) How did the American Civil War affect the lives of ryots in India? 5

আমেৰিকাৰ গৃহযুদ্ধই ভাৰতৰ ৰায়ত সকলৰ জীৱন যাত্ৰাত কেনেদৰে প্ৰভাৱ পেলাইছিল ?

(i) What were the concerns that influenced the British in their town planning in India in the 19th century? 5

উনবিংশ শতিকাত বৃটিছসকলক কি কি বিবেচনাই ভাৰতত নগৰ পৰিকল্পনাত প্ৰভাৱ পেলাইছিল ?

(j) Mention the arguments raised by some members in the debates of the Constituent Assembly against separate electorate system. 5

পৃথক নিৰ্বাচন ব্যৱস্থাৰ বিপক্ষে সংবিধান সভাৰ বিতৰ্কত কিছু মান সদস্যই কি কি যুক্তি আগবঢ়াই ছিল উল্লেখ কৰা।



4. Read the given passages carefully and answer the questions that follow :

তলৰ পাঠ্যাংশবোৰ ভালদৰে পঢ়া আৰু প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) **Evidence of an "invasion"**

The *Rigveda* mentions *pur*, meaning rampart, fort or stronghold. Indra, the Aryan war-god is called *puramdara*, the fort-destroyer.

Where are–or were – these citadels? It has in the past been supposed that they were mythical... The recent excavation of Harappa may be thought to have changed the picture. Here we have a highly evolved civilisation of essentially non-Aryan type, now known to have employed massive fortifications... What destroyed this firmly settled civilisation? Climatic, economic or political deterioration may have weakened it, but its ultimate extinction is more likely to have been completed by deliberate and large-scale destruction. It may be no mere chance that at a late period of Mohenjodaro men, women, and children, appear to have been massacred there. On circumstantial evidence, Indra stands accused.

FROM R. E. M. WHEELER, "Harappa 1946", *Ancient India*, 1947.

(i) What is the meaning of the word 'pur'? 1

(ii) Who is Indra? Why is he called 'puramdara'? 2

(iii) What might be the causes of destruction of the Harappan civilization? 3

এটা আক্ৰমণৰ প্ৰমাণ

'পুৰ' শব্দটো ঋক্‌বেদত উল্লেখিত হৈছে আৰু ইয়াৰ অৰ্থ হ'ল দুৰ্গৰ প্ৰতিৰক্ষামূলক পকী গড় তথা শক্তিকেন্দ্ৰ। আৰ্যদেৱতা ইন্দ্ৰ আছিল 'পুৰমদাৰ' অৰ্থাৎ দুৰ্গ ধ্বংসকাৰী।

এই দুৰ্গবোৰ এতিয়া ক'ত — নাইবা, আগতে ক'ত আছিল ? কিছুদিন পূৰ্বে এইবোৰ কাল্পনিক আখ্যান যেন লাগিলেও হৰপ্পাৰ খনন কাৰ্যই এই ভাবধাৰাৰ পৰিৱৰ্তন ঘটাইছে যেন লাগে।.... এই স্থানত আমি সুদৃঢ় সুৰক্ষা ব্যৱস্থাৰ বাবে জনাজাত এক উচ্চমানৰ অনাৰ্য সভ্যতাই গা কৰি উঠাৰ সন্ধান পাইছো... কি কাৰণবশতঃ এই সু-প্ৰতিষ্ঠ সভ্যতা ধ্বংস হ'ল ? পৰিৱেশিক, অৰ্থনৈতিক নাইবা ৰাজনৈতিক অৱক্ষয়ে এই সভ্যতাক দুৰ্বল কৰিব পাৰে বুলি ভাবিলেও ইয়াৰ শেষ বিলুপ্তি প্ৰধানতঃ ইচ্ছাকৃত আৰু ভয়ঙ্কৰ ধ্বংসমূলক ঘটনাৰ বাবেহে সংঘটিত হৈছিল যেন অনুমান হয়। যিয়ে যি মতামত নিদিয়ক কিয়, পৰৱৰ্তী কালত মহেনজোদাৰোৰ মুনিহ-তিৰোতা আৰু শিশুৰ নিৰ্বিচাৰ গণহত্যাৰ আঁৰত নিশ্চয় কিবা বিশেষ কাৰণ লুকাই আছিল। প্ৰত্যক্ষ প্ৰমাণৰ অভাৱত পৰিস্থিতিমূলক প্ৰমাণৰ আধাৰত এইক্ষেত্ৰত আমি ইন্দ্ৰদেৱতাকে দোষী সাব্যস্ত কৰিব পাৰো।

আৰ. ই. এম. হুইলাৰৰ 'হৰপ্পা, ১৯৪৬' (Harappa, 1946) আৰু প্ৰাচীন ভাৰত, ১৯৪৭ (*Ancient India*, 1947) ৰ পৰা উদ্ধৃত।

*(i)* 'পুৰ' শব্দৰ অৰ্থ কি ?

*(ii)* ইন্দ্ৰ কোন ? তেওঁক 'পুৰমদাৰ' বুলি কিয় কোৱা হয়?

*(iii)* হৰপ্পা সভ্যতাৰ পতন কি কি কাৰণৰ বাবে হ'ব পাৰে?



Or/ অথবা

**Languages and Scripts**

Most Asokan inscriptions were in the Prakrit language while those in the northwest of the subcontinent were in Aramaic and Greek. Most Prakrit inscriptions were written in the Brahmi script ; however, some, in the northwest, were written in Kharosthi. The Aramaic and Greek scripts were used for inscriptions in Afghanistan.

*(i)* To which source of history do the inscription belong ? 1

*(ii)* In which languages the Asokan inscriptions were written ? 2

*(iii)* What were the scripts used to inscribe the Asokan inscriptions ? 3

**ভাষা আৰু লিপি**

অশোকৰ সৰহভাগ লিপিৰ ভাষা প্ৰাকৃত যদিও উপ-মহাদেশখনৰ উত্তৰ-পশ্চিমৰ লিপিৰ ভাষা আছিল আৰামিক আৰু গ্ৰীক। (আৰামিক হ'ল প্ৰাচীন বেবিলনীয় সাম্ৰাজ্যত বহুলভাৱে প্ৰচলিত ভাষা।) অধিকসংখ্যক প্ৰাকৃত লিপি ব্ৰাহ্মী আখৰেৰে লিখা হৈছিল যদিও উত্তৰ-পশ্চিমাঞ্চলত খৰোষ্ঠি আখৰো ব্যৱহৃত হৈছিল। আফগানিস্থানৰ লিপিসমূহত আৰামিক আৰু গ্ৰীক আখৰ দেখা গৈছিল।

*(i)* লিপি বুৰঞ্জীৰ কি সমলৰ অন্তৰ্ভুক্ত ?

*(ii)* অশোকৰ লিপিসমূহ কি কি ভাষাত লিখা হৈছিল ?

*(iii)* অশোকৰ লিপিসমূহত কি কি আখৰ ব্যৱহাৰ কৰা হৈছিল ?

*(b)* **Widespread poverty**

Pelsaert, a Dutch traveller, visited the subcontinent during the early decades of the seventeenth century. Like Bernier, he was shocked to see the the widespread poverty, "poverty so great and miserable that the life of the people can be depicted or accurately described only as the home of stark want and the dwelling place of bitter woe". Holding the state responsible, he says : "So much is wrung from the peasants that even dry bread is scarcely left to fill their stomachs."

*(i)* Who was Pelsaert ? Which country did he visit ? 2

*(ii)* Why was the shocked ? 2

*(iii)* Why were the people, according to him, poverty stricken ? 2

দৰিদ্ৰতাৰ ব্যাপক বিস্তৃতি

পেলজাৰ্ট নামৰ ওলাণ্ডাজ পৰ্যটক এজনে সপ্তদশ শতিকাৰ আদি ভাগত ভাৰতীয় উপমহাদেশখন ভ্ৰমণ কৰিছিল। বাৰ্ণিয়াৰৰ দৰে তেওঁ দৰিদ্ৰতাৰ ব্যাপকতা দেখি স্তম্ভিত হৈছিল, "দৰিদ্ৰতা ইমান তীব্ৰ আৰু অসহনীয় আছিল যে মানুহৰ জীৱন ধাৰণৰ চিত্ৰ বা কথা-কাহিনী খুব সঠিকভাৱে বৰ্ণনা কৰিব পাৰি কেৱল মাত্ৰ অভাৱেৰে পৰিপূৰ্ণ ঘৰ নতুবা দুখজনক অনাটনৰ আবাসস্থান" ৰূপে। তাৰ বাবে ৰাষ্ট্ৰক দোষী সাব্যস্ত কৰি তেওঁ কৈছিল, "কৃষকসকলৰপৰা ইমান কৰ-কাটল খাজনা আদায় কৰা হৈছিল যে ফলস্বৰূপে তেওঁলোকৰ হাতত পেট পূৰাবলৈ আনকি শুকান ৰুটিও নাথাকিছিল।"

*(i)* পেলজাৰ্ট কোন ? তেওঁ কোনখন দেশ ভ্ৰমণ কৰিছিল ?

*(ii)* তেওঁ কিয় স্তম্ভিত হৈছিল ?

*(iii)* তেওঁৰ মতে মানুহবোৰ কিয় দৰিদ্ৰতাগ্ৰস্ত আছিল ?



*Or / অথবা*

**Travels of the 'Badshah Nama'**

Gifting of precious manuscripts was an established diplomatic custom under the Mughals. In emulation of this, the Nawab of Awadh gifted the illustrated *Badshah Nama* to King George III in 1799. Since then it has been preserved in the English Royal Collections, now at Windsor Castle.

In 1994, conservation work required the bound manuscript to be taken apart. This made it possible to exhibit the paintings, and in 1997 for the first time, the *Badshah Nama* paintings were shown in exhibitions in New Delhi, London and Washington.

*(i)* Who wrote the Badshah Nama and why ? 2

*(ii)* Who gifted the Badshah Nama in 1799 and to whom ? Why did he do so ? 3

*(iii)* Why did the Mughals present such manuscripts as gifts ? 1

বাদছাহ নামাৰ ভ্ৰমণ :

মূল্যবান পাণ্ডুলিপি উপহাৰ হিচাপে দান কৰাটো মোগল সকলৰ প্ৰচলিত কূটনৈতিক পৰম্পৰা আছিল। তাকেই অনুসৰণ কৰি অযোধ্যাৰ নৱাবে ইংলেণ্ডৰ ৰজা তৃতীয় জৰ্জক ১৭৯৯ চনত সচিত্ৰ বাদছাহ নামাখন উপহাৰ দিছিল। তেতিয়াৰপৰা সেইখন ইংলেণ্ডৰ ৰাজকীয় সংগ্ৰহালয়ত, বৰ্তমান উইণ্ডছোৰ ৰাজপ্ৰাসাদত, সংৰক্ষিত কৰি ৰখা হৈছে। ১৯৯৪ চনত সংৰক্ষণ কাৰ্যৰ বাবে বন্ধোৱা পাণ্ডুলিপি বিলাক পৃথক কৰাৰ প্ৰয়োজন হৈছিল। সেইটো কৰোঁতে তাত সন্নিবিষ্ট কৰা চিত্ৰবোৰ প্ৰদৰ্শন কৰাৰ বাবে সম্ভৱ হৈ পৰিছিল, আৰু পোন প্ৰথম বাৰৰ বাবে ১৯৯৭ চনত বাদশাহ নামাৰ চিত্ৰবোৰ নতুন দিল্লী, লণ্ডন আৰু ৱাচিংটনত পতা প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা হৈছিল।

*(i)* কোনে আৰু কিয় 'বাদছাহ নামা' লিখিছিল ?

(ii) 1799 চনত কোনে, কাক আৰু কিয় 'বাদছাহ নামা' উপহাৰ হিচাপে দিছিল ?

(iii) মোগলসকলে কিয় এনে পাণ্ডুলিপি উপহাৰ হিচাপে দিছিল ?

(c) **The Azamgarh Proclamation, 25 August, 1857**

*Section III – Regarding Public Servants.* It is not a secret thing, that under the British Government, natives employed in the civil and military services have little respect, low pay, and no manner of influence ; and all the posts of dignity and emolument in both the departments are exclusively bestowed on Englishmen,.... Therefore, all the natives in the British service ought to be alive to their religion and interest, and abjuring their loyalty to the English, side with the Badshahi Government, and obtain salaries of 200 and 300 rupees a month for the present, and be entitled to high posts in the future...

(i) Who issued this proclamation and to whom ? 2

(ii) What was the Badshahi Government referred to here ? 1

(iii) Why were the public servants asked to join them ? 3

**আজমগড় ঘোষণা পত্ৰ, 25 আগষ্ট, 1857**

**দফা 3 - ৰাজসেৱকসকলৰ প্ৰতি :** এইটো কোনো গুপুত কথা নহয় যে বৃটিশ চৰকাৰৰ অধীনস্থ অসামৰিক আৰু সামৰিক সেৱাত কৰ্মৰত থলুৱা লোকসকলৰ সন্মান আৰু বেতন



অতিসামান্য আৰু একেবাৰেই প্ৰভাবহীন ; আৰু দুয়োটা বিভাগৰে উচ্চ সন্মান আৰু বেতনৰ পদবোৰ একচেটিয়াভাৱে ইংৰাজসকলকে সঁপি দিয়া হৈছিল ... ... ... গতিকে বৃটিশৰ সেৱাত কৰ্মৰত থলুৱা লোকসকলে বৃটিশৰ প্ৰতি আনুগত্য ত্যাগ কৰি নিজৰ ধৰ্ম আৰু স্বাৰ্থৰ হকে থিয় দিয়া উচিত আৰু বাদশ্বাহী চৰকাৰৰ পক্ষ লৈ সদ্যহতে মাহেকত 200 আৰু 300 টকাৰ বেতন গ্ৰহণ কৰি ভৱিষ্যতে উচ্চ পদবীবোৰৰ বাবে যোগ্য হৈ উঠিব লাগে ... ... ...

(i) কোনে আৰু কাক এই ঘোষণাপত্ৰ জাৰি কৰিছিল ?

(ii) ইয়াত বাদশ্বাহী চৰকাৰ বুলি কোনখন চৰকাৰৰ কথা কোৱা হৈছে ?

(iii) চৰকাৰী চাকৰিয়াল সকলক কিয় তেওঁলোকৰ লগত যোগ দিবলৈ কোৱা হৈছে ?

***Or / অথবা***

**"Without a shot being fired"**

This is what Moon wrote :

For over twenty-four hours riotous mobs were allowed to rage through this great commercial city unchallenged and unchecked. The finest bazaars were burnt to the ground without a shot being fired to disperse the incendiaries (i.e. those who stirred up conflict). The .... District Magistrate marched his (large police) force into the city and marched it out again without making any effective use of it at all...

(i) What was the cause of this riot ? 2

(ii) Why could not the riotous mob be challenged ? 2



*Contd.*

(iii) What measures the police and the administrators should have taken against the wrongdoers? 2

বিনা গুলীত জুই

মুনৰ লেখনিৰ পৰা ... ... ...

এই বৃহৎ বাণিজ্যিক নগৰখনত প্ৰায় চৌবিশ ঘণ্টা ধৰি হিংসাত ব্যস্ত মানুহৰ দলবোৰে একো প্ৰত্যাহ্বান আৰু বাধাৰ সন্মুখীন নোহোৱাকৈ ভয়ানকৰূপে আলোড়িত কৰি ধ্বংসলীলা চলালে। আটাইতকৈ ধুনীয়া বজাৰবিলাক জুইত জ্বলি ছাই হ'ল, তেওঁলোকক আঁতৰাই পঠিয়াবলৈ আনকি এটা বন্দুকৰ গুলী নুফুটিল। জিলাৰ হাকিমে বৃহৎ পুলিচ বাহিনীলৈ নগৰখনত পদ-চালনা কৰিলে আৰু পুলিচক সাৰ্থকভাৱে একো কামত নলগালে।...

(i) এই হিংসাৰ কাৰণ কি ?

(ii) এই হিংসাত্মক কাৰ্যক কিয় প্ৰত্যাহবান জনাব পৰা নগ'ল ?

(iii) পুলিচ আৰু প্ৰশাসক সকলে হিংসাত লিপ্ত লোকসকলৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা উচিত আছিল ?

Draw a map of India and mark the following places: 3+3=6

Guwahati, Jorhat, Benares, Delhi, Kanpur and Mumbai.

ভাৰতবৰ্ষৰ এখন মানচিত্ৰ আঁকি তলত দিয়া ঠাইবোৰ দেখুওৱা ঃ

গুৱাহাটী, যোৰহাট, বাৰানসী, দিল্লী, কানপুৰ আৰু মুম্বাই।



*Or / অথবা*

In what way did Mahatma Gandhi transform the nature of the national movement? 6

জাতীয় আন্দোলনৰ প্ৰকৃতি মহাত্মা গান্ধীয়ে কি উপায়েৰে পৰিৱৰ্তন কৰিছিল ?

———×———



201